Total number of printed pages – 4

**3 (Sem–2/CBCS) ASM HG/RC**

# 2025

## ASSAMESE

(Honours Generic/Regular)

Paper : ASM–HG/RC–2016

***[Asamiya Sahityar Itihash (Arambhanir Pora Astadash Satika Parjyanta)]***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ প্ৰশ্নৰ উত্তৰ লিখা ঃ ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' শীৰ্ষক গ্ৰন্থখনৰ লিখক কোন?

(খ) 'মণিকোঁৱৰৰ গীত' কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্ভুক্ত?

(গ) কাহিনীগীতক ইংৰাজীত কি বুলি কোৱা হয়?

(ঘ) 'হৰগৌৰী-সম্বাদ' কাব্যৰ ৰচক কোন?

(ঙ) 'অপ্ৰমাদী কবি' বুলি কাক জনা যায়?

(চ) শংকৰদেৱৰ নাট্যগুণত শ্ৰেষ্ঠ অংকীয়া নাটখনৰ নাম লিখা।

(ছ) 'গীতিৰামায়ণ'ৰ ৰচক কোন?

(জ) 'পাঁচালী' শব্দটো সংস্কৃত কোন শব্দৰ পৰা আহিছে?

(ঝ) দৈত্যাৰি ঠাকুৰৰ পিতৃৰ নাম কি আছিল?

(ঞ) প্ৰাচীন অসমত ৰচিত হাতীৰ চিকিৎসা সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) লোকসাহিত্যৰ এটি সংজ্ঞা নিৰ্ণয় কৰা।

(খ) ৰাম সৰস্বতীয়ে ৰচনা কৰা *দুখন* বধকাব্যৰ নাম লিখা।

(গ) শংকৰদেৱে 'বৰাবপো' বুলি কাক সম্বোধন কৰিছিল? তেওঁৰ একমাত্ৰ অংকীয়া নাটখনৰ নাম লিখা।

(ঘ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ *দুটা* সাধাৰণ বৈশিষ্ট্য লিখা।

(ঙ) দুগৰাকী চৰিত পুথি ৰচকৰ নাম লিখা।

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'জিকিৰ' শব্দৰ অৰ্থ কি? জিকিৰ আৰু জাৰীগীতৰ বিষয়ে আলোচনা কৰা।



(খ) হৰিবৰ বিপ্ৰ কোন যুগৰ কবি? তেওঁৰ কাব্যকৃতিৰ বিষয়ে আলোচনা কৰা।

(গ) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটোৰ নাম উল্লেখ কৰি বৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'ঝুমুৰা'ৰ ৰচয়িতা কোন? ঝুমুৰাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) ৰঘুনাথ মহন্তৰ সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰা।

(চ) অসমীয়া ব্যৱহাৰিক সাহিত্যৰ এটি চমু আভাস দিয়া।

৪। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যৰ শ্ৰেণীবিভাজন কৰি প্ৰতিটো ভাগৰ বিষয়ে লিখা।

(খ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিগৰাকীৰ নাম লিখা। তেওঁৰ কাব্যকৃতিৰ বিষয়ে আলোচনা কৰা।

(গ) শংকৰদেৱৰ অংকীয়া নাটৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বুলিলে কোনসকল কবিক বুজা যায়? বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত পাঁচালী সাহিত্যৰ বিষয়ে লিখা।

(ঙ) ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি? তেওঁৰ গদ্যৰীতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(চ) "'নামঘোষা' মাধৱদেৱৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কৃতি।" এই উক্তিৰ আধাৰত 'নামঘোষা'ৰ বিষয়ে আলোচনা কৰা।

(ছ) অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(জ) চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ গদ্যৰীতিৰ তুলনামূলক আলোচনা দাঙি ধৰা।

---